**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য সংকটৰ জোৰা মৰাৰ বাবে আলোচনা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান জনাইছে।

২। পশ্চিম এছিয়াৰ সংঘৰ্ষই ২৬ সংখ্যক দিনত প্ৰৱেশ কৰাৰ সময়তো অঞ্চলটোত আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত আছে।

৩। কোভিড মহামাৰীৰ পৰৱৰ্তী সময়ত দেশত নতুনকৈ প্ৰায় এহেজাৰ ২৪ খন ৰে'লগাড়ীৰ চলাচল আৰম্ভ হৈছে।

৪। কেন্দ্ৰীয় চৰকাৰে, প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত গেছ চিলিণ্ডাৰ বুকিঙৰ সময়সীমা ৪৫ দিনলৈ বৃদ্ধি কৰা হৈছে বুলি প্ৰচাৰিত এটা বাতৰিৰ সত্যতা অস্বীকাৰ কৰিছে।

আৰু

৫। চত্তীশগড়ত আজি প্ৰথম খেলো ইণ্ডিয়া ট্ৰাইবেল গেমছ আৰম্ভ হ'ব।

0000000

মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য সংকটৰ জোৰা মৰাৰ বাবে আলোচনা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান জনাইছে। বিয়লি পাঁচ বজাত সংসদ ভৱন চৌহদত হ'বলগীয়া এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰাৰ সম্ভাৱনা আছে। এই বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰো উপস্থিত থকাৰ কথা।

সংসদ ভৱন চৌহদত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয়, যে চৰকাৰে বিৰোধী দলসমূহৰ সৈতে বৰ্তমানৰ পৰিস্থিতি সম্পৰ্কে আলোচনা কৰাৰ বাবে এই বৈঠকৰ আহ্বান জনাইছে। তেওঁ কয়, যে সংকটৰ সময়ত গঠনমূলক ভূমিকা পালন কৰাটো বিৰোধী পক্ষৰ কৰ্তব্য যদিও দুৰ্ভাগ্যজনকভাৱে বিৰোধী দলসমূহে বিষয়টো লৈ স্থুল ৰাজনীতি কৰিছে।

উল্লেখযোগ্য যে মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত ভাৰতত উদ্ভৱ হ'ব পৰা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰতিখন ৰাজ্যক সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনাইছে। ৰাজ্যসভাত কালি দিয়া ভাষণত শ্ৰী মোদীয়ে কয়, যে তিনি সপ্তাহতকৈ অধিক সময় অতিবাহিত হোৱা মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত ভাৰতৰো ব্যৱসায়িক ক্ষেত্ৰত প্ৰভাৱ পৰিছে।

ইপিনে, যুদ্ধৰ নেতিবাচক প্ৰভাৱৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি জোৰা মৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সাতখন উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰিছে। এই সমিতিয়ে ইন্ধনৰ সংকটৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ নিৰৱচ্ছিন্ন সৰবৰাহৰ ব্যৱস্থা কৰিব। উল্লেখযোগ্য যে কালি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এই যুদ্ধৰ ফলত সৃষ্টি হোৱা সংকট সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনা কৰে।

০০০০০০০

পশ্চিম এছিয়াৰ সংঘৰ্ষই ২৬ সংখ্যক দিনত প্ৰৱেশ কৰাৰ সময়তো অঞ্চলটোত আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত আছে আৰু সংঘৰ্ষৰ অৱসানৰ বাবে নতুনকৈ কূটনৈতিক গতি-বিধি আৰম্ভ হৈছে। ইজৰাইলী বাহিনীসমূহে দক্ষিণ লেবাননত অভিযান তীব্ৰতৰ কৰি তুলিছে আৰু সীমান্তত দীৰ্ঘকালীন সুৰক্ষা পৰিকল্পনা গ্ৰহণৰ সংকেত দিছে। ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাএল কাট্‌জে কয়, যে সেনা বাহিনীয়ে সুৰক্ষাজনিত কাৰণত লিটানি নৈৰ পাৰৰ এলেকাসমূহ নিয়ন্ত্ৰণলৈ আনিব বিচাৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে হিজবুল্লাই ব্যৱহাৰ কৰা কেইবাখনো দলং ধ্বংস কৰা বুলি দাবী কৰিছে। শ্ৰী কাট্‌জে কয়, যে সংঘৰ্ষৰ বাবে স্থানান্তৰ হ'বলগীয়া লোকসকলক উত্তৰ ইজৰাইল নিৰাপদ নোহোৱালৈকে ঘূৰি যোৱাৰ অনুমতি দিয়া নহ'ব। ইজৰাইলে বেৰুটৰ সমীপত চলোৱা আক্ৰমণত দুজন লোকে প্ৰাণ হেৰুৱাইছে আৰু আন পাঁচজন লোক আহত হৈছে। দক্ষিণ লেবাননত আক্ৰমণ অব্যাহত আছে আৰু হতাহত লোকৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰই দ্ৰুত সঁহাৰি বাহিনী হিচাপে পশ্চিম এছিয়াত ৮২ সংখ্যক বিমান বাহিনী নিয়োজিত কৰাৰ নিৰ্দেশ দিছে। ইয়াৰ ফলত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে অতিৰিক্ত সামৰিক বিকল্প লাভ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰই লগতে মধ্যস্থতাৰ জৰিয়তে সংঘৰ্ষৰ অৱসান ঘটোৱাৰ বাবে ইৰাণলৈ ১৫ দফীয়া প্ৰস্তাৱ প্ৰেৰণ কৰা বুলি জানিবলৈ দিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেনাই ইৰানৰ অভ্যন্তৰৰ ৯ হাজাৰৰো অধিক সৈন্য ঘাটি নষ্ট কৰা বুলি দেশখনৰ কেন্দ্ৰীয় কামানে দাবী কৰিছে। তেওঁলোকে লগতে ইয়াৰ ফলত ইৰানৰ যুদ্ধ ক্ষমতা হ্ৰাস পোৱা বুলিও মন্তব্য কৰিছে। ইপিনে, ইৰানে ক্ষেপণাস্ত্ৰ আৰু ড্ৰোন আক্ৰমণ আৰম্ভ কৰিছে। তেল আভিভৰ কেইবাটাও স্থানত চলোৱা এনে আক্ৰমণত ছজন লোক আহত হৈছে। ইৰানৰ চৰকাৰী সংবাদ মাধ্যমে প্ৰকাশ কৰা মতে, একাংশ ক্ষেপণাস্ত্ৰই ইজৰাইলৰ সুৰক্ষা বেষ্টনী ভেদ কৰিবলৈ সমৰ্থ হয়। ইফালে, ইছলামিক ৰিভ'ল্যুচনাৰি গাৰ্ড ক'ৰে লেবানন আৰু পেলেষ্টাইনী এলেকাসমূহত ইজৰাইলৰ অভিযান অব্যাহত থাকিলে ইয়াতকৈও ডাঙৰ আক্ৰমণ কৰা হ'ব বুলি ভাবুকি দিছে।

০০০০০০০০০

কোভিড মহামাৰীৰ পৰৱৰ্তী সময়ত দেশত নতুনকৈ প্ৰায় এহেজাৰ ২৪ খন ৰে'লগাড়ীৰ চলাচল আৰম্ভ হৈছে। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি লোকসভাত এই তথ্য প্ৰকাশ কৰে। সদনৰ শূন্যকালত উত্থাপিত প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই সময়ছোৱাত, পূৰ্বৰ পৰা চলি থকা ৰে'লগাড়ীসমূহত ৪ হেজাৰ ৬৫১ টা ডবাও নতুনকৈ সংযোজিত কৰা হৈছে। ৰে'ল সেৱাক দেশৰ দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ বাবে যাতায়াতৰ সহজ মাধ্যম বুলি অভিহিত কৰি শ্ৰীবৈষ্ণৱে কয় যে এই শ্ৰেণীৰ লোকসকললৈ সুচল তথা ব্যয়সাধ্য পৰিবহন সেৱা আগবঢ়োৱাৰ প্ৰতি চৰকাৰে গুৰুত্ব আৰোপ কৰি আহিছে। দেশত চলি থকা ৰে'লগাড়ীসমূহৰ মুঠ আসনৰ ৭৮ শতাংশই সাধাৰণ আৰু শ্লীপাৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে, প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত গেছ চিলিণ্ডাৰ বুকিঙৰ সময়সীমা ৪৫ দিনলৈ বৃদ্ধি কৰা হৈছে বুলি প্ৰচাৰিত এটা বাতৰিৰ সত্যতা অস্বীকাৰ কৰিছে। সামাজিক মাধ্যমত প্ৰচাৰিত এই বাতৰিক ভুৱা বুলি অভিহিত কৰি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে কয় যে এই ক্ষেত্ৰত পূৰ্বৰ নীতিৰ কোনো সালসলনি ঘটোৱা হোৱা নাই। সকলো ধৰণৰ সংযোগৰ ক্ষেত্ৰতেই এটা চিলিণ্ডাৰ লাভ কৰাৰ পাছত পৰবৰ্তী চিলিণ্ডাৰ বুকিঙৰ বাবে পূৰ্বৰ দৰেই নগৰাঞ্চলৰ বাবে ২৫ দিন আৰু গ্ৰামাঞ্চলৰ

বাবে ৪৫ দিনৰ সময়সীমাৰ ব্যৱস্থা অব্যাহত থাকিব বুলি লগতে কোৱা হৈছে। দেশত পৰ্যাপ্ত পৰিমাণৰ ৰন্ধন গেছ মজুত আছে বুলি উল্লেখ কৰি চৰকাৰে এই সন্দৰ্ভত কোনো ধৰণৰ ভুল তথ্য বিশ্বাস অথবা প্ৰচাৰ নকৰিবলৈ আৰু চিলিণ্ডাৰ বুকিং সন্দৰ্ভত অযথা আতংকিত নহ'বলৈ আহ্বান জনাইছে।

০০০০০০০০০

ইউ পি এ চৰকাৰৰ শাসনকালৰ তুলনাত সম্প্ৰতি দেশত সৌৰশক্তি উৎপাদনৰ হাৰ উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে বুলি নতুন আৰু নৱীকৰণযোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে। লোকসভাত আজি এটা প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰি তেওঁ কয় যে দেশত সৌৰ আহিলা উৎপাদনৰ সামৰ্থ্য পূৰ্বৰ ইউ পি এ চৰকাৰৰ দিনৰ মাত্ৰ ৩ গিগাৱাটৰ পৰা সম্প্ৰতি ১৭২ গিগাৱাটলৈ বৃদ্ধি পাইছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে পূৰ্বৰ চৰকাৰৰ দিনত দেশত সৌৰকোষ উৎপাদনৰ সামৰ্থ্য শূন্য আছিল যদিও বৰ্তমান এই পৰিমাণ ২৭ গিগাৱাট হৈছেগৈ।

০০০০০০০০০

বৰ্তমানৰ ভূ-ৰাজনৈতিক উত্তেজনা সত্ত্বেও ২০২৬-২৭ বিত্তীয় বৰ্ষত ভাৰতত অৰ্থনৈতিক বিকাশৰ হাৰ ৭ দশমিক ১ শতাংশ হোৱাৰ সম্ভাৱনা আছে বুলি Standard & Poors নামৰ আমেৰিকাৰ বিত্তীয় বিশ্লেষণ প্ৰতিষ্ঠানৰ শেহতীয়া প্ৰতিবেদনত প্ৰকাশ পাইছে। প্ৰতিষ্ঠানটোৰ প্ৰতিবেদনত ঘৰুৱা শক্তিশালী ঘৰুৱা চাহিদা বৰ্ধিত ৰপ্তানি আৰু ব্যক্তিগত বিনিয়োগৰ ক্ৰমবৰ্ধিত উত্থানৰ বাবে ভাৰত বিশ্বৰ দ্ৰুত বিকাশশীল অৰ্থ ব্যৱস্থাসমূহৰ অন্যতম হৈ থাকিব বুলি উল্লেখ কৰা হৈছে। এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ অৰ্থনৈতিক বৃদ্ধিৰ হাৰ স্থিৰ হৈ আছে আৰু অন্য গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ সৈতে ভাৰত মূল চালিকা শক্তিৰূপে পৰিণত হৈছে। চীনক বাদ দি অঞ্চলটোত ২০২৬ চনত বিকাশৰ হাৰ চাৰে চাৰি শতাংশ হ'ব বুলি আশা কৰা হৈছে। প্ৰযুক্তিৰ সৈতে জড়িত খণ্ডসমূহৰ উন্নত প্ৰদৰ্শন আৰু যিকোনো পৰিস্থিতিৰ মাৰ সহিব পৰা ঘৰুৱা গতিবিধিৰ বাবে বিকাশৰ হাৰ এনেদৰে অব্যাহত থাকিব বুলি কোৱা হৈছে। গোলকীয় পৰ্যায়ত শক্তিৰ মূল্যৰ উত্থান-পতন সত্ত্বেও মুদ্ৰাস্ফীতি পৰিচালন অনুকূল ৪ দশমিক ৩ শতাংশলৈ হ্ৰাস পাব বুলি অনুমান কৰা হৈছে।

০০০০০০০০০

চত্তীশগড়ত আজি প্ৰথম খেলো ইণ্ডিয়া ট্ৰাইবেল গেমছ আৰম্ভ হ'ব। ৩ এপ্ৰিললৈ চলিবলগীয়া এই প্ৰতিযোগিতাত এথলেটিকছ, হকী, ফুটবল, আৰ্চাৰী, মল্লযুঁজ, ভাৰোত্তলন, সাঁতোৰৰ বিভিন্ন শিতানৰ খেলসমূহ অনুষ্ঠিত হ'ব। ইয়াৰ উপৰি মল্লখম্ব আৰু কাবাডীৰ প্ৰদৰ্শনমূলক খেলৰ আয়োজন কৰা হৈছে। চত্তীশগড়ৰ ৰায়পুৰ, জগদলপুৰ আৰু অম্বিকাপুৰত এই খেলসমূহ অনুষ্ঠিত হ'ব। ৰায়পুৰত ফুটবল, হকী, কাবাডী, সাঁতোৰ, ভাৰোত্তলন আৰু আৰ্চাৰীৰ খেলসমূহ খেলোৱা হ'ব। বাষ্টাৰত এথলেটিকছ আৰু ছৰগুজাত মল্লযুঁজ তথা মল্লখম্ব প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সমগ্ৰ দেশৰ ৩০ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৩ হাজাৰতকৈও অধিক খেলুৱৈ আৰু কৰ্মকৰ্তাই এই প্ৰতিযোগতাত অংশগ্ৰহণ কৰিব। ৰায়পুৰত আজি ইয়াৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই এই প্ৰতিযোগিতা উদ্বোধন কৰিব।

০০০০০০০০

সমাপ্ত